**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 25-01-2025
**Time :** 0755 Hrs

***Assamese Morning Bulletin***
**----------------------**

গণৰাজ্য দিৱসৰ পূৰ্ব সন্ধিয়া ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি সন্ধিয়া ৭ বজাত ৰাষ্ট্ৰক উদ্দেশ্যি ভাষণ দিব। ৰাষ্ট্ৰপতিয়ে হিন্দীত দিয়া এই ভাষণৰ পাছতে ইয়াৰ ইংৰাজী ভাষান্তৰ প্ৰচাৰ কৰা হ'ব। আকাশবাণী আৰু দূৰদৰ্শনৰ আটাইবোৰ কেন্দ্ৰই ৰাষ্ট্ৰপতিৰ এই ভাষণ প্ৰচাৰ কৰিব। আকাশবাণী গুৱাহাটী কেন্দ্ৰই ৰাষ্ট্ৰপতিৰ ভাষণৰ অসমীয়া ভাষান্তৰ নিশা চাৰে ৯ বজাত প্ৰচাৰ কৰিব। ৰাষ্ট্ৰপতিৰ এই ভাষণৰ পৰিপ্ৰেক্ষিতত আজি সন্ধিয়া ৭ বাজি ১০ মিনিটত প্ৰচাৰিত হ'বলগীয়া অসমীয়া বাতৰি নিশা ৭ বাজি ৫০ মিনিটত প্ৰচাৰ কৰা হ'ব।

৭৬ সংখ্যক গণৰাজ্য দিৱস উপলক্ষে ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই কাইলৈ পুৱা ৯ বজাত ৰাজ্যবাসীক উদ্দেশি ভাষণ দিব। ৰাজ্যপালৰ ভাষণৰ পৰিপ্ৰেক্ষিতত আমাৰ পুৱা ৯ বজাৰ আঞ্চলিক বাতৰি ৮ বাজি ৪৫ মিনিটত প্ৰচাৰিত হ'ব।

আকাশবাণীয়ে কাইলৈ ৭৬ সংখ্যক গণৰাজ্য দিৱসৰ নতুন দিল্লীৰ কৰ্তব্য পথত হ'বলগীয়া কুচকাৱাজ আৰু প্ৰতীকপট শোভাযাত্ৰা অনুষ্ঠান পুৱা ৯ বাজি ৪০ মিনিটৰ পৰা পোনপটীয়াকৈ প্ৰচাৰ কৰিব। আনহাতে, ২৬ জানুৱাৰীৰ দিনা ৰাজ্যখনত অনুষ্ঠিত গণৰাজ্য দিৱসৰ কাৰ্যসূচীৰ ভেটিত আকাশবাণী গুৱাহাটী কেন্দ্ৰই নিশা ৭ বাজি ৪৫ মিনিটত এখন বিশেষ অনাতাঁৰ প্ৰতিবেদন প্ৰচাৰ কৰিব।

০০০০০০

টাই-আহোম জনগোষ্ঠীৰ ঐতিহ্যৰ বিষয়ে দেশৰ বিভিন্ন প্ৰান্তত সজাগতা সৃষ্টিৰ ক্ষেত্ৰত নৱ-প্ৰজন্মই বিশেষ ভূমিকা পালন কৰিব পাৰে। কেন্দ্ৰীয় বন্দৰ, জাহাজ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কালি ডিব্ৰুগড়ৰ টেঙাখাটত আয়োজিত তৃতীয় টাই-জনগোষ্ঠীয় সাংস্কৃতিক মহোৎসৱত অংশগ্ৰহণ কৰি এইদৰে কয়। শ্ৰী সোণোৱালে অনাগত দিনত স্বাভিমানেৰে মূৰ তুলি থিয় হৈ থাকিবলৈ বৃহত্তৰ অসমীয়া জাতিৰ ভেঁটি ঐক্যবদ্ধভাৱে সুদৃঢ় কৰিব লাগিব বুলি মন্তব্য কৰে। তেওঁ কয়, যে বৰ্ণাঢ্য কলা-সংস্কৃতি, খাদ্য, বস্ত্ৰকে ধৰি অন্যান্য সা-সম্ভাৰেৰে উদ্ভাসিত হৈ উঠা এই সাংস্কৃতিক মহোৎসৱে টাই-আহোম জনগোষ্ঠীৰ যুগমীয়া ঐতিহ্য পৰম্পৰাক প্ৰতিফলিত কৰিছে। শ্ৰী সোণোৱালে ভাষণ প্ৰসংগত মহাবীৰ লাচিত বৰফুকনৰ পৰাক্ৰমৰ কথা উল্লেখ কৰি মোগলক হেলাৰঙে পৰাভূত কৰা বীৰ পুৰুষগৰাকীৰ আদৰ্শেৰে ঐক্যবদ্ধ হৈ জাতিটোক শক্তিশালী কৰি ৰখাৰ বিষয়ত গুৰুত্ব আৰোপ কৰে।

০০০০০০

শিৱসাগৰৰ ৰংপুৰৰ ঐতিহাসিক তলাতল ঘৰৰ বাকৰিত ২৭ আৰু ২৮ জানুৱাৰীত সদৌ অসম ছাত্ৰ সন্থাৰ সাধাৰণ সভা অনুষ্ঠিত হ'ব। এই সভাৰ বাবে প্ৰস্তুতি পূৰ্ণ গতিত চলি আছে। শিৱসাগৰত হ'বলগীয়া এই সাধাৰণ সভাত ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ ৫ হাজাৰৰো অধিক ছাত্ৰ প্ৰতিনিধি, বিশিষ্ট ব্যক্তি, শিল্পী, কলা-কুশলীয়ে অংশগ্ৰহণ কৰিব। জিলাখনৰ ঐতিহ্য-পৰম্পৰাক পৰিকল্পিতৰূপত উপস্থাপন কৰাৰ উদ্দেশ্যে তলাতল

ঘৰৰ বাকৰিৰ মূল মণ্ডপৰ সন্মুখত চৰাইদেউৰ এটা প্ৰতীকি মৈদাম নিৰ্মাণ কৰা হৈছে। এই প্ৰতীকি মৈদামৰ মাজেৰেই সাধাৰণ সভাৰ অতিথি-প্ৰতিনিধি আৰু অন্যান্য লোক প্ৰৱেশ কৰিব। অতিথিয়ে জিৰণি ল'বৰ বাবে ৰংঘৰৰ আৰ্হিত এটা অতিথিশালা নিৰ্মাণ কৰা হৈছে। সেই স্থানতে আছুৰ প্ৰতীক তথা গুলীবিদ্ধ ছহীদৰ প্ৰতিমূৰ্তিৰে এটা বিশাল আকাৰ ছহীদ বেদী স্থাপন কৰা হ'ব। লগতে শৰাইঘাটৰ ৰণ, পলু বগাই থকা চোমনীবাৰী আৰু জয়মতীৰ আত্মত্যাগৰ দৃশ্য উপস্থাপনৰ ব্যৱস্থা কৰা হৈছে। সভা-সমিতি অনুষ্ঠিত কৰাৰ বাবে ৩০ হাজাৰ বৰ্গফুটৰ এটা মণ্ডপ নিৰ্মাণ কৰা হৈছে।

০০০০০০

সমগ্ৰ দেশতে আজি পঞ্চদশ ৰাষ্ট্ৰীয় ভোটদাতা দিৱস উদযাপন কৰা হ'ব। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে নতুন দিল্লীত হ'বলগীয়া ৰাষ্ট্ৰীয় ভোটদাতা দিৱসৰ মূল অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। অনুষ্ঠানত কেন্দ্ৰীয় আইন আৰু ন্যায় দপ্তৰৰ মন্ত্ৰী অৰ্জুন ৰাম মেঘৱালৰ লগতে মুখ্য নিৰ্বাচন আয়ুক্ত আৰু অন্যান্য নিৰ্বাচন আয়ুক্তসকলে অংশগ্ৰহণ কৰিব। নিৰ্বাচন ব্যৱস্থাপনা সংস্থাসমূহৰ মুৰব্বী আৰু প্ৰতিনিধিসকলেও এই অনুষ্ঠানত ভাগ ল'ব। এইবাৰৰ ৰাষ্ট্ৰীয় ভোটদাতা দিৱসৰ বিষয়বস্তু হ'ল, 'ভোট দিয়াৰ দৰে একোৱেই নহয়, মই নিশ্চিতভাৱে ভোটদান কৰিম'। নিৰ্বাচনী প্ৰক্ৰিয়াত অংশগ্ৰহণত গুৰুত্ব আৰোপ কৰি যোৱাবছৰৰ বিষয়বস্তুকে এইবাৰো লোৱা হৈছে আৰু ইয়াৰ জৰিয়তে ভোটদাতাসকলক নিজৰ ভোটদানৰ অধিকাৰ সাব্যস্ত কৰি গৌৰৱ কৰিবলৈ উৎসাহিত কৰা হৈছে। এই অনুষ্ঠানৰ সময়ত ৰাষ্ট্ৰপতি মুৰ্মুৱে সুচাৰুৰূপে নিৰ্বাচন অনুষ্ঠিত কৰাৰ ক্ষেত্ৰত লোৱা বিশেষ প্ৰচেষ্টাৰ বাবে ৰাজ্য আৰু জিলাৰ বিষয়াসকলক শ্ৰেষ্ঠ নিৰ্বাচনী পদ্ধতিৰ বঁটা প্ৰদান কৰিব। নিৰ্বাচন প্ৰক্ৰিয়াত ভোটদাতাৰ অংশগ্ৰহণ বৃদ্ধি কৰাৰ বাবে উদ্ভাৱনীমূলক অভিযান আৰু প্ৰযুক্তিৰ ব্যৱহাৰক বিশেষ স্বীকৃতি দিয়া হ'ব।

০০০০০০

শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ৯৪ সংখ্যক যোৰহাট অধিৱেশনৰ প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈ উঠিছে। যোৰহাটৰ পৰা প্ৰায় ১৫ কিলোমিটাৰ পশ্চিমে ম'হবন্ধাৰ এৰালতলী পথাৰৰ বৈষ্ণৱ পণ্ডিত সোণাৰাম চুতীয়া ক্ষেত্ৰত অহা ৬ৰ পৰা ৯ ফেব্ৰুৱাৰীলৈ এই অধিৱেশনৰ আয়োজন কৰা হৈছে। অধিৱেশনত ৫০ লাখৰো অধিক ভকত বৈষ্ণৱৰ সমাগম হ'ব বুলি উদ্যোক্তাসকলে আশা কৰিছে। সোণাৰাম চুতীয়া ক্ষেত্ৰত বিশাল মণ্ডপ, প্ৰতিনিধি শিবিৰ আদি নিৰ্মাণ কৰি থকা হৈছে। ইতিমধ্যে সাজু কৰি তোলা অস্থায়ী নামঘৰত দিনে-নিশাই নাম-কীৰ্তন কৰাৰ লগতে বিভিন্ন প্ৰাথমিকে শৰাই আগবঢ়াইছে। তদুপৰি অধিৱেশনস্থলীত প্ৰায় ১৫ হাজাৰ ভকতে একেলগে আহাৰ গ্ৰহণ কৰিব পৰাকৈ বৃহৎ ভোজনালয়ো সাজু কৰা হৈছে। জনস্বাস্থ্য কাৰিকৰী বিভাগে অধিৱেশনস্থলীত পানীৰ যোগান ধৰিব বুলি উদ্যোক্তাসকলে জানিবলৈ দিছে।

০০০০০০

মাজুলী কৃষি বিভাগৰ উদ্যোগত উদ্যান শস্য আৰু খাদ্য প্ৰসংস্কৰণ সঞ্চালকালয়ৰ ৰাষ্ট্ৰীয় মৌ পালন আৰু মৌ অভিযান আঁচনিৰ অধীনত গড়মূৰৰ সৰুসত্ৰ প্ৰেক্ষাগৃহত দুদিনীয়াকৈ বৈজ্ঞানিকভাৱে মৌ পালনৰ

প্ৰশিক্ষণ অনুষ্ঠিত হৈছে। এই কাৰ্যসূচীৰ কালি প্ৰথম দিনা অতিৰিক্ত জিলা আয়ুক্ত, জিলা কৃষি বিষয়া আৰু কৃষি উন্নয়ন বিষয়া উপস্থিত থাকে। কৰ্মশালাত কেইবাজনো অভিজ্ঞ মৌ-পালক আৰু আগ্ৰহী কৃষকে অংশগ্ৰহণ কৰিছে।

oooooo

সমাপ্ত